অধ্যায় ১৪ ঃ বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ বিশ্বায়নৰ চমু পৰিচয়
১৪.৪ বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি
১৪.৪.১ গণমাধ্যমসমূহ
১৪.৪.২ জনপ্রিয় সংস্কৃতি (Popular Culture)
১৪.৪.৩ চাইবাৰ কাল্‌চাৰ
১৪.৪.৪ অন্যান্য ন-ধাৰাসমূহ
১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৬ অধিক জানিবলৈ
১৪.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৪.৮ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সংস্কৃতিত বিশ্বায়নৰ স্বৰূপ সম্পর্কে অৱগত কৰা হ'ব
- অসমীয়া সংস্কৃতিৰ বিভিন্ন উপাদানত বিশ্বায়নৰ প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব
- অসমীয়া সংস্কৃতিক বহির্বিশ্বত প্রতিষ্ঠা প্রদানৰ বাবে বিশ্বায়নে কি দৰে সহায় কৰিব পাৰে সেই বিষয়ে কিছু কথা জানিব পাৰিব
- অসমীয়া সংস্কৃতিৰ পৰিৱেশ্য কলা ৰূপৰ সমৃদ্ধি আৰু বিকাশত বিশ্বায়নে কেনে ভূমিকা পালন কৰিব পাৰে তাৰে আলোচনা আগবঢ়াব পাৰিব
- কম্পিউটাৰ প্রযুক্তিৰ বিষয়ে আভাস লাভ কৰিব
- ইণ্টাৰনেটৰ যোগেদি লাভ কৰা সুফলবোৰৰ বিষয়ে অৱগত হ'ব পাৰিব
- ছ'চিয়েল নেটৱর্ক ছিষ্টেমৰ আভাস পাব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্রথম ষাণ্মাসিকৰ অন্তর্গত চতুর্থ পাঠ্যবিষয় 'অসমীয়া সংস্কৃতি'ৰ এইটো চতুর্দশ তথা অন্তিম অধ্যায়। ইয়াত বিশ্বায়ন আৰু অসমীয়া সংস্কৃতিত ইয়াৰ প্রভাৱ সম্পর্কে আলোচনা আগবঢ়োৱা হৈছে। ইতিমধ্যে কৰি অহা তেৰটা অধ্যায়ৰ আলোচনাৰ মাজেদি অসমীয়া

সংস্কৃতিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলে। পিছে বোৱতি সুঁতি সংস্কৃতিয়ে নিত্য নতুন ৰূপ লাভৰ প্ৰতি উন্মুখ হৈ থাকে। যুগ যুগ ধৰি চলি অহা সমন্বয় আৰু সমাহৰণৰ অভিনৱ প্ৰক্ৰিয়াই এফালে ভিন্ন ভিন্ন সাংস্কৃতিক গোটক ঐশ্বৰ্যশালী কৰিছে আৰু অন্যহাতেদি ভিন্ন ভিন্ন ভাব-চিন্তা বিশিষ্ট সংস্কৃতিক একতাৰ দোলেৰে বান্ধ খুৱাইছিল। পিছে আধুনিক সময়ত বিজ্ঞান-প্ৰযুক্তিয়ে পৰম্পৰাগত সাংস্কৃতিক চিন্তালৈ পৰিৱৰ্তন আনিলে। বিশ্বায়নৰ প্ৰভাৱো সাংস্কৃতিক জীৱন চিন্তালৈ এনেকৈয়ে আহিছিল। এই অধ্যায়ত বিশ্বায়নে অসমীয়া সংস্কৃতিলৈ অনা পৰিৱৰ্তনসমূহৰ কথা আলোচনা কৰা হ'ব।

১৪.৩ বিশ্বায়নৰ চমু পৰিচয়

বিশ্বায়ন বা গোলকীকৰণ মূলতঃ বিশ্ব অৰ্থনীতিৰ সৈতে সম্পৰ্কিত বিষয় হ'লেও বৰ্তমানে ই অৰ্থনীতিৰ গণ্ডীতে আবদ্ধ নাথাকি ৰাজনীতি, অৰ্থনীতি, সংস্কৃতি প্ৰভৃতি সকলো বিষয়ৰে সৈতে সম্পৃক্ত হৈ পৰিছে। বৰ্তমান বিশ্বৰ সৰ্বত্ৰ চৰ্চিত বিষয়টোৱেই হৈছে Globalization বা গোলকীকৰণ বা বিশ্বায়ন।

১৯৬০ চনত Marshall Mchuhan নামৰ এগৰাকী চিন্তাবিদে Globalization অভিধানিক 'Global village' আখ্যা দি এদিন ইলেক্ট্ৰনিক যোগাযোগ মাধ্যমে পৃথিৱীখনকে একত্ৰিত কৰিব বুলি অভিমত প্ৰকাশ কৰিছিল।

বৰ্তমান বিশ্বায়ন বা বিশ্ব-অৰ্থনীতি সম্পৰ্কীয় বিশ্বসূত্ৰই ক্ৰমান্বয়ে সমগ্ৰ বিশ্বকে গ্ৰাস কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত-উন্নয়নে অৰ্থনৈতিক, সাংস্কৃতিক আৰু শৈক্ষিক ক্ষেত্ৰত দ্ৰুত-পৰিৱৰ্তনৰ সূচনা কৰিছে আৰু সেয়ে সমগ্ৰ পৃথিৱীখন এখন সৰু গাঁৱত পৰিণত হৈ পৰিছে, যাক 'বিশ্বগ্ৰাম' বা 'Global village' বুলিব পাৰি। বিশ্বায়নৰ প্ৰভাৱে সমগ্ৰ বিশ্বৰে সৰু সৰু ভাষা আৰু জাতি-জনগোষ্ঠীসমূহৰ পাৰস্পৰিক সংস্কৃতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে আৰু সকলো ধৰণৰ ভৌগোলিক, ভাষিক বন্ধন ছিন্ন কৰি সমগ্ৰ পৃথিৱীখনক এক সাৰ্বজনীন সংস্কৃতিৰ দিশত আগুৱাই নিছে।

ভাৰতবৰ্ষ বিভিন্ন জাতি-ধৰ্ম আৰু ভাষা-ভাষীৰ মিলনক্ষেত্ৰ আৰু জাতীয় ঐক্য আৰু সংহতিৰ ক্ষেত্ৰত ভাষা-সাহিত্য আৰু সংস্কৃতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অৱশ্যে বিশ্বায়নৰ প্ৰভাৱে সৰু সৰু ভাষা গোষ্ঠীসমূহলৈ সংশয়ৰ বাৰ্তা কঢ়িয়াই আনিছে আৰু বিশ্বায়নৰ সৈতে খাপখুৱাই আমাৰ ভাষা-সাহিত্যক আগুৱাই নিয়াটো বৰ্তমান সময়ৰ জটিল হৈ পৰিছে। ভাৰতৰ সংবিধান স্বীকৃত ভাষাসমূহৰ ভিতৰত অসমীয়া ভাষা-ভাষীৰ সংখ্যা হিন্দী বা বাংলা ভাষা-ভাষীতকৈ কম। অথচ বিশ্বায়নৰ প্ৰভাৱে অসমীয়া ভাষাকো স্পৰ্শ নকৰাকৈ থকা নাই।

বৰ্তমান ভাৰতবৰ্ষৰ চুকে-কোণে গঢ় লৈ উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়ে আগ্ৰসী ভূমিকা গ্ৰহণ কৰিছে আৰু ফলস্বৰূপে থলুৱা ভাষা-কৃষ্টি, সাংস্কৃতিক মূল্যবোধ, ঐতিহ্য আৰু পৰম্পৰা ক্ৰমান্বয়ে বিলুপ্তিৰ পথলৈ গতি কৰিছে।

বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় আৰু সমাহৰণৰ যোগেদি বৃহত্তৰ অসমীয়া জাতি সৃষ্টি হৈছে। অসমৰ প্ৰধান সংযোগী ভাষা অসমীয়া আৰু ই ৰাজ্যখনৰ ৰাজ্যভাষা। অথচ, অসমত বসবাস কৰা বড়ো, ৰাভা, ডিমাছা, কোচ, তিৰা, মিচিং, মৰাণ, সোণোৱাল কছাৰী আদি জনগোষ্ঠী-সমূহৰ নিজস্ব ভাষা-সংস্কৃতি আছে। কিন্তু বিশ্বায়নে এই ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ স্বকীয়তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। বিশ্বায়নৰ পৰিণতি স্বৰূপে অসমৰ প্ৰায়বোৰ জনগোষ্ঠীয়ে নিজস্ব লিপিৰ পৰিৱৰ্তে ৰোমাণ লিপি গ্ৰহণ কৰিছে।

বিশ্বায়ন এটা আধুনিক প্ৰক্ৰিয়া। ব্যৱসায়-বাণিজ্য আৰু যোগাযোগ ব্যৱস্থাৰ সম্প্ৰসাৰণে বিশ্বায়নৰ প্ৰক্ৰিয়া অতি সহজ কৰি তুলিছে।

বৰ্তমান সমগ্ৰ বিশ্বই বিশ্বায়নৰ কবলত পৰিছে। মুক্ত অৰ্থনীতিৰ পৰিণতি স্বৰূপে বিশ্বৰ বিভিন্ন ধনী দেশসমূহে নিজৰ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ কাৰণে বিশ্বৰ বজাৰত মুকলি কৰি দিয়াৰ ফলত বিভিন্ন দেশত থলুৱাভাৱে প্ৰস্তুত সামগ্ৰীৰ বাবে প্ৰত্যাহ্বানৰ সূচনা হৈছে। বিভিন্ন শিল্পী, কৃষক, বনুৱা, শ্ৰমিক আদিৰ জীৱন বিশ্বায়নে ধুঁৱলি-কুঁৱলি কৰি পেলাইছে। বিশ্বৰ অৰ্থনীতিলৈ অহা এনে পৰিৱৰ্তনৰ পৰিণতি স্বৰূপে সাংস্কৃতিক জগতখনলৈয়ো প্ৰত্যাহ্বান নামি আহিছে। বিশ্বৰ চহকী আৰু বণিক গোষ্ঠীসমূহৰ পৃষ্ঠপোষকতা লাভ কৰি ভালেমান সামগ্ৰীয়ে বিশ্বৰ বজাৰত স্থায়ীভাৱে মূল্যমান নিৰূপণত অৰিহণা যোগোৱাৰ লগে লগে প্ৰচাৰ মাধ্যম তথা ব্যাপক হাৰত বিজ্ঞাপনৰ যোগেদি শত-সহস্ৰ মানুহৰ কাষ চাপিবলৈ সক্ষম হোৱাত প্ৰতিযোগিতামূলক বজাৰত সেইসমূহ সামগ্ৰী তিষ্ঠি থকাটো সম্ভৱ হৈছে। বিশ্বৰ বজাৰত স্থান লাভ কৰাৰ লগে লগেই সামগ্ৰীৰ উৎপাদন আৰু মান নিৰূপণতো গুৰুত্ব দিবলগীয়া হোৱাত তুলনামূলকভাৱে কম মূল্যত সেইসমূহ সামগ্ৰী বিশ্বৰ বজাৰত মুকলি কৰি দিয়াটো সম্ভৱ হৈ উঠিছে।

বৰ্তমান আমেৰিকা-ইউৰোপ, জাপান প্ৰভৃতি উন্নত দেশসমূহৰ বাবে ভাৰতবৰ্ষত আন ঔপনিবেশিক বজাৰত সৃষ্টি হৈছে। চুবুৰীয়া ৰাষ্ট্ৰ-চীনদেশেও ভাৰতবৰ্ষত অধিক ব্যৱসায়, বাণিজ্য সম্প্ৰসাৰিত কৰাৰ ফলত আমাৰ অৰ্থনীতিত বহিৰ্বিশ্বৰ অৰ্থনীতিয়ে বিৰূপ প্ৰভাৱ পেলাইছে। ঘৰুৱাভাবে উৎপাদিত সামগ্ৰীসমূহৰ মান তুলনামূলকভাৱে বেছি হোৱাত কম মূল্যত পোৱা ৰংচঙীয়া সামগ্ৰীৰ প্ৰতি গ্ৰাহকৰ আগ্ৰহ বাঢ়িছে। চীনদেশীয় সামগ্ৰীৰ বৃহৎ বজাৰখনে আমাৰ দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীতো প্ৰভাৱ বিস্তাৰ কৰিছে। তেওঁলোকে বিভিন্ন ধৰণৰ সামগ্ৰী প্ৰস্তুত কৰি ভাৰতীয় বজাৰখনত আগ্ৰাসী ভূমিকা গ্ৰহণ কৰিছে যদিও তেওঁলোকৰ সামগ্ৰীক প্ৰত্যাহ্বান জনাব পৰাকৈ আমাৰ থলুৱা সা-সামগ্ৰীসমূহ উন্নত মানসম্পন্ন কৰি গঢ়ি তুলিব পৰা নাই। বিশ্বায়নৰ লগত খাপ খুৱাই নিজ দেশৰ সামগ্ৰীসমূহৰ মান উন্নত কৰি সেইবোৰ ৰপ্তানি কৰি বিশ্বৰ বজাৰ দখল কৰিব নোৱাৰিলে দেশৰ আৰ্থসামাজিক বিকাশ কেতিয়াও সম্ভৱ নহয়।

১৪.৪ বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি

অসমীয়া সংস্কৃতি বৰ্তমান বিশ্বায়নৰ গ্ৰাসত পৰিছে। বিশ্বায়নৰ গ্ৰাসত পৰি বিধ্বস্ত হোৱা অসমীয়া সংস্কৃতিৰ প্ৰথম আঘাত সহ্য কৰিবলগীয়া হৈছে আমাৰ 'চিৰচেনেহী ভাষা জননী' অসমীয়া

ভাষাটোৱে। ভাষা লিখিবৰ বাবে লিপিৰ প্ৰয়োজন আৰু এই লিপি সমগ্ৰ বিশ্বত স্বীকৃত হ'বৰ কাৰণে Unicodeত সন্নিৱিষ্ট হোৱাটো আৱশ্যক। বৰ্তমান ইউনিকোডত অসমীয়া ভাষা লিখাৰ বাবে বাংলা লিপি ব্যৱহৃত হোৱাত অসমীয়া লিপিৰ লগতে ভাষাৰ অস্তিত্ব বিপন্ন হোৱাৰ দিশে আগবাঢ়িছে। অথচ বঙলা লিপিতকৈ অসমীয়া লিপি স্বতন্ত্ৰ আৰু অধিক সমৃদ্ধ।

সাহিত্যৰ ক্ষেত্ৰত অসমীয়া সাহিত্যক বিকশাই তুলিবৰ কাৰণে অসমীয়া ভাষাত সমৃদ্ধ সাহিত্য সৃষ্টিত গুৰুত্ব দিব লাগিব। বিশ্বৰ বৰেণ্য সাহিত্যসমূহ অসমীয়াভাষালৈ অনুবাদ কৰাৰ লগে লগে বহির্দেশীয় সাহিত্য অধ্যয়নৰ বাবে প্ৰয়োজনীয় পৰিৱেশ গঢ়ি তুলিব লাগিব। বিশ্বৰ বিভিন্ন ভাষালৈ অসমীয়া সাহিত্যৰ সমৃদ্ধ ৰচনাসমূহ অনুবাদ কৰি উলিয়াব লাগিব আৰু তাক বৈদ্যুতিন মাধ্যম বিশেষকৈ ইণ্টাৰনেট, ৱেব-ছাইট, ছ'চিয়েল-মিডিয়া আদিৰ যোগেদি সহজলভ্য কৰি তুলিব লাগিব। বিশ্বায়নৰ যুগত আমাৰ ভাষা-সাহিত্যক সুন্দৰভাৱে বহির্বিশ্বৰ সন্মুখত প্ৰকাশ কৰিব নোৱাৰিলে আমাৰ জাতীয় সাহিত্যৰ বিকাশ আৰু সমৃদ্ধি আশা কৰিব নোৱাৰি। আমাৰ যিসকল সাহিত্যি ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিছে, তেওঁলোকৰ সাহিত্যৰাজিক আন্তঃৰাষ্ট্ৰীয় মৰ্যাদাৰে পৰিচিত কৰাই দিবৰ বাবে ইংৰাজী, ফ্ৰান্স, ৰুছ, স্পেনিচ, জাপানিজ প্ৰভৃতি বিভিন্ন ভাষালৈ অনুবাদ কৰিব লাগিব।

সঙ্গীতৰ যোগেদি বিশ্বৰ বজাৰ দখল কৰিবলৈ হ'লে সঙ্গীতক গণসংগোৰ মাধ্যম হিচাপে গঢ়ি তুলিব লাগিব। ভূপেন হাজৰিকা, পল ৰবচন, লতা মঙ্গেশকাৰ, আৰ. ডি. বৰ্মন প্ৰভৃতিৰ দৰে সঙ্গীতক উপযুক্ত মৰ্যাদাৰে বিশ্ববাসীৰ সন্মুখত তুলি ধৰি অসমীয়া সঙ্গীতৰ মাধুৰ্য উপলব্ধি কৰাবলৈ সক্ষম হ'ব লাগিব।

বৰ্তমান বিশ্বায়নে অসমীয়া সংস্কৃতিক সকলো দিশতে গ্ৰাস কৰিছে। ভাষা-সাহিত্য-শিল্পৰ প্ৰতিটো দিশতেই বিশ্বায়নৰ প্ৰভাৱ পৰাত সেইসমূহ তিষ্ঠি থাকিবৰ বাবে সকলোকে বিশ্বমানৰ কৰি গঢ়ি তুলিবৰ কাৰণে নতুন-নতুন কৌশল অৱলম্বন কৰিবলগীয়া হৈছে। মুঠতে বিশ্বায়নৰ সৈতে খাপ খুৱাই আমাৰ সংস্কৃতিৰ প্ৰতিটো উপাদানকে উন্নত মানদণ্ডেৰে গঢ়ি তুলিব লাগিব। তেতিয়াহে আধুনিক বিশ্বত অসমৰ দৰে উন্নয়নশীল দেশৰ সংস্কৃতি বৰ্তি থকাটো সম্ভৱ হ'ব। সংস্কৃতিক বিশ্বজনীন আৰু সাৰ্বজনীন ৰূপত প্ৰতিষ্ঠা কৰিবৰ বাবে ইয়াৰ প্ৰতিটো উপাদানকেই উপযুক্ত ৰূপত গঢ়ি তোলাত গুৰুত্ব দিব লাগিব।

১৪.৪.১ গণমাধ্যমসমূহ (চিনেমা, ৰেডিঅ', টেলিভিশ্যন, ফটোগ্ৰাফি ইত্যাদি)

বৰ্তমান সময়ত সংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণত গণমাধ্যমসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। গণ মাধ্যমে জনসংযোগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আদিতে লোকমাধ্যম সমূহে জনগণৰ মাজত সংযোগ স্থাপন কৰিছিল। বৰ্তমান এই ক্ষেত্ৰত গণমাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। গণমাধ্যমসমূহ লোকমাধ্যম, ছপা মাধ্যম, বৈদ্যুতিন মাধ্যম ইত্যাদি ভাগত বিভক্ত কৰি দেখুৱাব পাৰি। আদিতে লোক মাধ্যমৰ ৰূপত লোকগীত মাতে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল।

গণসংযোগ মাধ্যম হিচাপে জনসাধাৰণৰ সৈতে সংযোগ স্থাপন কৰাত চিনেমাৰ গুৰুত্ব সৰ্বাধিক। গণমাধ্যমৰ যোগেদি সাধাৰণতে আমোদ দান কৰা আৰু জনশিক্ষা প্ৰদান কৰা এই দুয়োটা দিশতে গুৰুত্ব দিয়া হয়। বৰ্তমান বিভিন্ন ধৰণৰ চৰকাৰী আঁচনি প্ৰচাৰৰ লগে লগে প্ৰাপ্তবয়স্ক শিক্ষাকে ধৰি চিকিৎসা, স্বাস্থ্য, সমাজ, অৰ্থনীতি প্ৰভৃতি বিভিন্ন বিষয় সামৰি ভালেমান কথাছবি নিৰ্মিত হৈছে আৰু এই কথাছবি সমূহৰ যোগেদি জনশিক্ষা প্ৰদান কৰাটো সম্ভৱ হৈ উঠিছে।

ৰেডিঅ'ও গণসংযোগৰ এটা অতি গুৰুত্বপূৰ্ণ মাধ্যম। ৰেডিঅ'ৰ যোগেদি অথবা টেলিভিশ্যনৰ যোগেদি সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰি। থলুৱা-ভাষা-সাহিত্য, সংস্কৃতিক বিভিন্ন আলোচনাৰ মাধ্যমেৰে ৰেডিঅ' আৰু টেলিভিশ্যনত প্ৰচাৰ কৰি সংস্কৃতিৰ সংৰক্ষণত মনোনিৱেশ কৰিব পাৰি। সংস্কৃতিৰ পৰিৱৰ্তন, সংস্কৃতিৰ বিকীৰণ, সংস্কৃতিত আধুনিকতা ইত্যাদি বিভিন্ন বিষয়ত চিন্তা-চৰ্চা কৰা ব্যক্তিসকলৰ মন্তব্য আদি প্ৰকাশ কৰি বিশ্বায়নৰ ফলস্বৰূপে থলুৱা-সংস্কৃতিলৈ অহা প্ৰত্যাহ্বান দূৰ কৰি তাক যুগোপযোগী ৰূপত সজাই তোলাৰ কাৰণে অনুপ্ৰেৰণা প্ৰদান কৰাত ৰেডিঅ' আৰু দূৰদৰ্শনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। এই দুটি প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰত্যক্ষভাৱে জনগণৰ সৈতে সংযোগ স্থাপন কৰি তেওঁলোকৰ মতামত গ্ৰহণ কৰি যুগৰ প্ৰয়োজন অনুসৰি সমাজখন নতুনকৈ গঢ়ি তুলিবৰ কাৰণে প্ৰয়াস কৰিব পাৰি। বৰ্তমান ৰেডিঅ'ৰ এফ.এম. চেনেলসমূহে জনগণৰ মাজত বিশেষ জনপ্ৰিয়তা লাভ কৰা দেখা যায়। অৱশ্যে এফ.এম.ৰ যোগেদি আমাৰ ভাষাটোক বিজৰতীয়া কৰি তোলা বুলিও সততে অভিযোগ শুনা যায়। আৰ. জে. (Radio-Journalist)সকলৰ বক্তব্য উপস্থাপনত ব্যৱহাৰ কৰা ভাষাৰ খিচিৰি ৰূপটোৱে অসমীয়া ভাষাৰ সাধু-ৰূপটোৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰাৰ লগতে নতুন প্ৰজন্মক ই অধিক প্ৰভাৱিত কৰিছে। নিৰক্ষৰতা দূৰীকৰণ, জনশিক্ষাৰ সম্প্ৰসাৰণ,প্ৰভৃতি দিশত ৰেডিঅ' আৰু দূৰদৰ্শনে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ভাৰতৰ দৰে এখন জনবহুল দেশত ৰেডিঅ' আৰু দূৰদৰ্শনৰ জনপ্ৰিয়তা সৰ্বস্বীকৃত। শিক্ষামূলক কাৰ্যসূচী প্ৰচাৰত এই দুই মাধ্যমে বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

বিশ্বায়নৰ ক্ষেত্ৰত ফটোগ্ৰাফিয়েও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সংবাদ মাধ্যমত ফটোৱেও কথা ক'ব পাৰে। ফটোৰ যোগেদি লেখাতকৈয়ো অধিক স্পষ্টৰূপত একো একোটি ধাৰণা জনসাধাৰণৰ সন্মুখত উপস্থাপন কৰিব পাৰি। কাৰণ ফটোৱে কেতিয়াও মিছা নকয়। ফটোৰ মাধ্যমত জনসাধাৰণৰ মতামত লৈ জনমত গঠনতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰি।

বিশ্বায়নৰ প্ৰভাৱ সম্পৰ্কে জনমত গঠন কৰা আৰু তাৰ কুফলৰ পৰা জন-সাধাৰণক সজাগ কৰি বিশ্বায়নৰ সুফল ভোগাৰ বাবে অনুপ্ৰাণিত কৰাটো ফটোগ্ৰাফৰ ভূমিকা গুৰুত্বপূৰ্ণ। সংযোগ মাধ্যম হিচাপে ৰেডিঅ' আৰু দূৰদৰ্শনে জনসাধাৰণক শিক্ষিত কৰি যুগৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ তেওঁলোকক সাজু কৰি তোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গণমাধ্যমৰ অন্তর্গত বিবিধ মাধ্যমে অসমীয়া ভাষাটোক বিজতৰীয়া কৰিছে নেকি? যুক্তি সহকাৰে উত্তৰ দিয়ক। (২৫০টা শব্দৰ ভিতৰত লিখক)

১৪.৪.২ জনপ্রিয় সংস্কৃতি (Popular Culture)

জনপ্রিয় সংস্কৃতিয়ে সংস্কৃতিৰ জনপ্রিয় ৰূপটোক সূচায়। সংস্কৃতিক ব্যৱসায়িক পণ্যৰূপে উপস্থাপন কৰিবলৈ যাওঁতে বহু সময়ত ইয়াৰ অভ্যন্তৰীণ সৌন্দর্যৰ দিশটোক আওকাণ কৰি বাহ্যিক ৰূপটোক গুৰুত্ব দিয়া দেখা যায়। তেতিয়াই লোক-মনোৰঞ্জনৰ সামগ্রী স্বৰূপে সংস্কৃতিক ব্যৱসায়িক-পণ্য হিচাপে উপস্থাপন কৰি জনপ্রিয়তা অর্জনৰ বাবে প্রয়াস কৰা হয়, তেতিয়াই সংস্কৃতিৰ ক্ষেত্রত কিছু এৰা ধৰা কৰিবলগীয়া হয়। আমাৰ ভালেমান সাংস্কৃতিক ৰীতি-নীতিৰ ক্ষেত্রত শিথিলতা অৱলম্বন কৰিবলগীয়া হয়। উদাহৰণ স্বৰূপে মঞ্চৰ উপযোগী কৰি সজোৱাৰ বাবে বিহুনৃত্য আৰু হুচৰিত বহুখিনি এৰাধৰা কৰিবলগীয়া হৈছে। এফালেদি সময়, আনফালেদি পৰিৱেশ্য ৰূপত তাক আকর্ষণীয় কৰি তোলা, এই দুয়োটা দিশৰ প্রতি লক্ষ্য ৰাখি মঞ্চৰ উপযোগীকৈ সজাই তোলাত অথবা প্রচাৰ মাধ্যমৰ যোগেদি তাক জনপ্রিয় ৰূপত উপস্থাপন কৰা, সেয়া কৰিবলৈ যাওঁতে আপোচ কৰাটো নিত্য-নৈমিত্তিক নিয়মত পৰিণত হৈছে।

বিহুৰ দৰেই এখনি অঙ্কীয়া নাট দূৰদর্শন বা প্রতিযোগিতামূলক মঞ্চত পৰিবেশন কৰিবলৈ যাওঁতেও তেনেদৰে সময়ৰ দিশটোত গুৰুত্ব দিবলগীয়া হোৱাত বহুতো দিশ কেৱল প্রতীকী ৰূপত উপস্থাপন কৰিয়েই সামৰিবলগীয়া হৈছে। এনেদৰে নিয়মটো মাথোন ৰাখি প্রতিযোগিতামূলক বজাৰখনত পৰম্পৰাগত ঐতিহ্য আৰু সংস্কৃতিক জীয়াই ৰাখিবলগীয়া হোৱাত কিছু পৰিমাণে নীতি-নিয়মত শিথিলতা অৱলম্বন কৰাটো প্রয়োজনীয় হৈ পৰিছে।

বিশ্বায়নৰ পৰিপ্রেক্ষিতত মানুহবোৰ অধিক সময়-সচেতন হৈ পৰাৰ কাৰণে বর্তমান দূৰদর্শন, বৈদ্যুতিন মাধ্যম আদিৰ যোগেদি সম্প্রসাৰিত প্রায়বোৰ কার্যসূচীকেই সময়ানুকুলভাবে সজাই তোলাটো প্রয়োজন হৈ পৰিছে। এনে পৰিস্থিতিত পৰিবেশৰ লগত খাপ খুৱাই সংস্কৃতিক পুনর্নির্মাণ কৰাটো অতি প্রয়োজনীয় হৈ পৰিছে। বর্তমান সংবাদ মাধ্যমসমূহতো সাহিত্যিক জনপ্রিয় কৰি তুলিবৰ বাবে সংবাদধর্মিতাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। ফলত দেশ-বিদেশৰ সাহিত্য-চিন্তাৰ পৰিৱর্তনৰ সৈতে সঙ্গতি ৰাখি সাহিত্যৰ ক্ষেত্রতো যথেষ্ট পৰিৱর্তন সূচিত হৈছে। বর্তমান ই-জার্ণেলৰ যোগেদি প্রকাশিত ৰচনাসমূহে একশ্রেণীৰ নতুন পাঠকৰ মাজত জনপ্রিয়তা অর্জন কৰিছে।

তেনেদৰে ফেচবুক্, ৱাটচ্ আপ, জেণ্ডাৰ, ইউ-টিউব আদিৰ মাধ্যমেদি একশ্ৰেণীৰ শেষ পাঠক বা অনুগত সৃষ্টি কৰি পৰস্পৰৰ মাজত মতামত বিনিময় কৰিও জনপ্ৰিয় হোৱাৰ বাবে প্ৰয়াস কৰা দেখা যায়। এনে হোৱাৰ পৰিণতি স্বৰূপে প্ৰশংসা আৰু তোষামোদৰ জগতখন বহল হৈছে আৰু সকলো সাহিত্য কলা ব্যৱসায়িক পণ্যত পৰিণত হৈছে।

সঙ্গীতৰ ক্ষেত্ৰতো বিষয়বস্তুতকৈ সুৰ আৰু ধ্বনিৰ প্ৰাধান্যই ঠাই পাইছে। দেশ-বিদেশৰ সঙ্গীতৰ অনুকৰণত সঙ্গীতক জনপ্ৰিয় কৰি তুলিবৰ বাবে ইয়াক পৰিৱেশ্য ৰূপত সজাই তুলিবৰ বাবে প্ৰয়াস কৰাৰ পৰিণতিস্বৰূপে প্ৰায়বোৰ গীতৰেই সাঙ্গীতিক সুষমাতকৈ পৰিৱেশনকাৰীৰ লয়লাস ভঙ্গিমা, নৃত্য আদিয়ে প্ৰাধান্য লাভ কৰিছে আৰু সস্তীয়া জনপ্ৰিয়তা অৰ্জনৰ বাবে সেইবোৰ ভিডিঅ'যোগে আগতীয়াকৈ প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰচাৰ কৰাত জনপ্ৰিয়তা বাঢ়িছে। যদিও তাৰ গুণগত মান উন্নত হোৱা বুলিব নোৱাৰি। সঙ্গীতক জীৱন আৰু জীৱিকা আহৰণৰ মাধ্যম হিচাপে গ্ৰহণ কৰা বহুতো গীতিকাৰ-গায়ক অথবা সুৰকাৰেই বিশেষ সাধনা নকৰাকৈ কেৱল জনপ্ৰিয়তাৰ খাটিৰত প্ৰচাৰ মাধ্যমক অধিকভাৱে ব্যৱহাৰ কৰাৰ পৰিণতিস্বৰূপে কলাৰ সৌন্দৰ্য ম্লান কৰাই নহয়, ই বহুসময়ত শ্ৰোতা-দৰ্শকৰ হৃদয়ত গভীৰ অনুৰাগ সৃষ্টিত ব্যৰ্থ হৈছে। নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয়তাৰ বাবে ব্যৱহৃত বিবিধ ছ'চিয়েল-মিডিয়াই ভয়াৱহ ৰূপত ভাই�ৰেলৰ দৰে শিপাই যোৱাৰ ফলত জনপ্ৰিয়তাৰ গ্ৰাফডাল ঊৰ্ধ্বমুখী হোৱাৰ বিপৰীতে সংস্কৃতিৰ স্বৰূপ ম্লান নপৰাকৈ থকা নাই।

Popular Culture বা জনপ্ৰিয় সংস্কৃতিয়ে দৰাচলতে Folk Culture বা লোক-সংস্কৃতিক বুজায়। বৰ্তমান বিশ্বায়নৰ পৰিণতি স্বৰূপে সমগ্ৰ বিশ্ব এক গ্লবেল ভিলেজত পৰিণত হোৱাত সঙ্গীত, নৃত্য, সাহিত্য প্ৰভৃতি বিভিন্ন দিশত অনুকৰণ, অনুসৰণ, প্ৰভাৱ আদিৰ মাত্ৰা বৃদ্ধি হৈছে আৰু ইয়াক গণসংযোগৰ আহিলাত পৰিণত কৰিবৰ কাৰণে প্ৰচেষ্টা অব্যাহত আছে। এনে প্ৰচেষ্টাৰ পৰিণতি স্বৰূপে সঙ্গীতকো গণ-সংযোগৰ প্ৰধান আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱাৰ বাবে নৃত্য-গীত, অভিনয়ৰ সমাহাৰত ইয়াক পৰিৱেশ্য কলা ৰূপলৈ উন্নীত কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ আজিৰ প্ৰতিযোগিতাৰ বজাৰখনত সংস্কৃতিক বিশুদ্ধ ৰূপত জীয়াই ৰখাতো সম্ভৱনে? যুক্তিসহ উত্তৰ দিয়ক।

(২৫০টা শব্দৰ ভিতৰত লিখক)

১৪.৪.৩ চাইবাৰ (চাইবাৰ সংস্কৃতিৰ ধাৰণা, ইণ্টাৰনেট, ই-সাহিত্য, অন-লাইন জার্ণেল, বেৰ-ছাইট, ছ'চিয়েল ছাইট, কাল্‌চাৰ ইত্যাদি)

সংস্কৃতিক জনপ্রিয় কৰি তুলিবৰ কাৰণে প্রচাৰ মাধ্যমৰ সহায় লোৱাটো অপৰিহার্য। বর্তমান সময়ত কম্পিউটাৰৰ মাধ্যমত ভালেমান অপৰাধজনিত কার্য সংঘটিত কৰাটো সম্ভৱ হৈ উঠিছে। এনে চাইবাৰ-সংস্কৃতিৰ ধাৰণা গঢ় লৈ উঠাত ছ'চিয়েল মিডিয়া-সমূহে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। ছ'চিয়েল মিডিয়াৰ যোগেদি কোনো ব্যক্তিৰ ভাৱমূর্তি অৱনমিত কৰিবৰ বাবে কিছুমান গোপন অথবা মিছা ভিডিঅ' আপলোড কৰি ব্যতিব্যস্ত কৰাটো বর্তমান সময়ত অতি সহজ হৈ পৰিছে।

চাইবাৰক সঁচা অর্থত সংস্কৃতি বুলিব নোৱাৰি। কাৰণ ইয়াৰ অন্তৰালত আনৰ অপকাৰ কৰা, অসন্মান কৰাৰ মানসিকতা জড়িত হৈ থাকে। সেইবাবেই আইনৰ দৃষ্টিত ইয়াক অপৰাধৰ গণ্ডীত ধৰা হৈছে। আমাৰ সমাজত দৈনন্দিন এনে ভালেমান চাইবাৰ-জনিত অপৰাধ ঘটিব লাগিছে। কম বয়সৰ শিক্ষার্থীসকলো এনে ষড়যন্ত্রৰ চিকাৰ হোৱা দেখা গৈছে। বহুতেই প্রেমৰ নামত গোপন ভিডিঅ' আপলোড কৰি প্রতিপক্ষক ব্যতিব্যস্ত কৰা দেখা যায়। সেইবাবেই মানৱীয় চেতনাৰ পৰিপন্থী আৰু সৃষ্টিশীল মানসিকতাক প্রৰোচিত কৰা চাইবাৰজনিত অপৰাধক মানসিক ব্যাধি বা দুষ্কৃতিৰ শাৰীতহে ধৰিব পাৰি। চাইবাৰ অপৰাধ (Cyber Crime) হ'ল ইণ্টাৰনেটৰ সেৱা কার্য দুষ্টচক্রৰ দ্বাৰা অপপ্রয়োগ কৰা।

ইণ্টাৰনেট নামৰ ব্যৱস্থাটো বর্তমান মহাসমুদ্রত পৰিণত হৈছে। বিশ্বৰ সমস্ত তথ্য বর্তমান ইণ্টাৰনেটত উপলব্ধ হোৱাত মানুহে তথ্য আহৰণৰ কাৰণে বিশ্বকোষৰ পৰিৱর্তে ইণ্টাৰনেটৰ সহায় লোৱা দেখা গৈছে। অৱশ্যে এনে তথ্য জানিবৰ কাৰণে প্রয়োজনীয় কৌশল আয়ত্ব কৰাটো অতি প্রয়োজনীয় হৈ পৰিছে। বর্তমান অন-লাইন যোগে সকলো ধৰণৰ তথ্য লাভ কৰাটো সহজসাধ্য হৈ পৰিছে।

বর্তমান সময়ত কম্পিউটাৰ মানৱ সভ্যতাৰ এক অপৰিহার্য আহিলাত পৰিণত হৈছে। ইণ্টাৰনেটৰ আগমনে বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ লগতে সাহিত্য, সংস্কৃতি, শিক্ষা, পর্যটন প্রভৃতি বিভিন্ন দিশত পৃথিৱীখনক হাতৰ মুঠিত লাভ কৰাটো সম্ভৱ কৰি তুলিছে। এনে কাৰণতেই পৃথিৱীখন এখন গাঁৱলৈ পর্যবসিত হৈছে। সাতসাগৰ-তেৰনদীৰ সিপাৰে কোনো চিঠি-পত্র, তথ্য, ছবি, ফটো, দৃশ্য-শ্রাব্য, ফাইল আদি নিমিষতে পঠাব পাৰি।

এতিয়া আমি চাইবাৰ সংস্কৃতিৰ লগত জড়িত কেতবোৰ উল্লেখযোগ্য দিশৰ প্রতি চকু দিওঁ আহক—

- বর্তমান জীৱন আৰু জীৱিকাৰ ক্ষেত্রত কম্পিউটাৰে বিশেষ ভূমিকা গ্রহণ কৰিছে। আধুনিক কম্পিউটাৰত ব্যৱহৃত I.P.Oৰ সম্পূর্ণ ৰূপটো এনেধৰণৰ— Input-Process-Output.

- ভাৰতবর্ষত ১৯৯৬ চনত প্রথমে ইণ্টাৰনেট সেৱাৰ আৰম্ভ হয়।বর্তমান বিশ্বত ২.৯ বিলিয়নতকৈও অধিক ইণ্টাৰনেট ব্যৱহাৰকাৰী আছে।
- 'বুক' শব্দৰ পৰাই 'ফেচবুক্' (Facebook) শব্দৰ উৎপত্তি হৈছে। ১৮৮৪ চনৰ ১৪ মে'ত মার্কিন যুক্তৰাষ্ট্রৰ নিউয়ুর্ক মহানগৰত জন্মগ্রহণ কৰা মার্ক এলিয়ট জুকাৰবার্গ হ'ল ফেচবুক্ৰ জন্মদাতা। ফেচবুক্ৰ জৰিয়তে একেলগে যথেষ্ট সংখ্যক লোকৰ জীৱনলৈ পৰিবর্তন আনিব পাৰি। ফেচবুকে ১৩টা ভাৰতীয় ভাষাত সুবিধা আগবঢ়াইছে। বর্তমান ছ'চিয়েল মিডিয়া স্বৰূপে ফেচবুক্, টুইটাৰ, ইউ টিউব, জেণ্ডাৰ, ৰাটচ্ আপ আদিয়ে জনসংযোগৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। ছ'চিয়েল-মিডিয়াৰ এই সর্বগ্রাসী ৰূপটোৱে বর্তমান বিভিন্ন দেশৰ নির্বাচনতো গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰা দেখা গৈছে। যুৱচামৰ আশী শতাংশই ছ'চিয়েল-মিডিয়াৰ প্রতি আসক্ত হোৱাত বর্তমান সংস্কৃতিৰ সংৰক্ষণ, সংবর্দ্ধনৰ বাবে প্রচাৰ-মাধ্যমৰ ওপৰত অধিক নির্ভৰ কৰিবলগীয়া হৈছে।
- ১৮৮৯ চনত বৃটিছ কম্পিউটাৰ বিজ্ঞানী টাম বার্ণছ লীয়ে World Wide Web বা wwwৰ আৱিস্কাৰ কৰে।
- বর্তমান বেপাৰ-বাণিজ্যিৰ পৰিচালনাত ই-কমার্চে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে।
- ই প্রকাশন হ'ল বিভিন্ন ষ্ট'ৰেজ কৌশল কম্পিউটাৰ নেটৱর্ক ব্যৱহাৰ কৰি ডিজিটেল ৰূপত ব্যাপক প্রচাৰ আৰু প্রচলন কৰা প্রচাৰ মাধ্যম। বর্তমান ই-জার্ণেলৰ প্রকাশ্যে সম্ভৱ হৈ উঠিছে।
- ২০০১ চনৰ ১৫ জানুৱাৰীত URL: www.wikipedia.org নামৰ অন-লাইন সংস্থাটি প্রতিষ্ঠা কৰে জিম্মী ৱেলচ আৰু লেৰী ছেংগাৰে। মুক্ত বিশ্বকোষক লক্ষ্য হিচাপে লৈ বিশ্বৰ প্রায় ২৭৫টা সক্রিয় ভাষাক সামৰি এই অন-লাইন সংস্থাটো গঢ়ি তোলা হয়। ১৯৭৬ চনৰ পৰা আজি পর্যন্ত বিশ্বৰ কোটি কোটি লোকক আপ্লুত কৰি অহা মিউজিক বেণ্ড 'দা ইগল্ছ'ৰ অতিকে জনপ্রিয় গীত 'হোটেল কেলিফর্ণিয়া'ৰ আর্হিত কোনো গুণমুগ্ধই ৰচনা কৰি উলিয়াইছে 'হোটেল ৱিকিপিডিয়া' নামৰ এটি বিশেষ থীম ছং। তেনেদৰে সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে সৰল ভাষা আৰু সহজ ব্যৱহাৰযোগ্যভাৱে গঢ়ি তোলা মূল 'ৱিকিপিডিয়া'ৰ এটা সংস্কৰণ হৈছে 'ছিম্পল ৱিকিপিডিয়া'। ইয়াৰ URL হৈছে simple.wikipedia.org।
- ২০০১ চনত 'ৱিকিপিডিয়া'ৰ ইউ আৰ এল আছিল www.wikipedia.com। কিন্তু পিছলৈ ইয়াক সলাই www.wikipedia.org কৰা হয়। সাধাৰণতে .com ৰেবছাইটবিলাক বাণিজ্যিক আৰু .org ৰেবছাইটবিলাক অ-ব্যৱসায়িক বা সাংগঠনিক হয়।
- fiber, massenger, true caller, imo, video call chat, geochat, hike, meet me sight, instragam, hikend end, meet up, facebook, twiter,

whats up, you-tube, OAL-X, fate talk, kiwi, gmail আদিৰ যোগেদি বর্তমান জনসংযোগ সম্ভৱ হৈ উঠিছে। নতুন প্রজন্মই এইসমূহৰ সার্থক প্রয়োগৰ যোগেদি সুফল লাভ কৰিবলৈ সক্ষম হৈছে।

- মন কৰিবলগীয়া যে ইণ্টাৰনেট কোনো যন্ত্র নহয়। ইণ্টাৰনেটৰ নেটৱর্কটোৱে কম্পিউটাৰসমূহক সমগ্র বিশ্বতে মকৰাৰ দৰে আবৰি আছে। সেয়েহে ইয়াক কোৱা হয় ৱর্ল্ড ৱাইড ৱেব (www-wide-web) সংক্ষেপতে www. । ইণ্টাৰনেটৰ ঠিকনাক কোৱা হয় ৱেব এড্রেছ আৰু এই এড্রেছ লিখি যি ঠিকনা পোৱা যায় তাক কোৱা হয় ৱেবছাইট। wwwৰ স্রষ্টাজন হ'ল ছাৰ টিম কর্ণছিলী।
- আধুনিক যুগত দ্রুতগতিৰে কামকাজ আৰু সঠিক হিচাব-নিকাচৰ বাবে ব্যাপক ব্যৱহৃত ইংৰাজী ভাষাৰ কম্পিউটাৰ শব্দটো আহিছে লেটিন শব্দ 'কম্পিউটে'ৰ পৰা, যাৰ অর্থ হৈছে গণনা।
- বর্তমান কম্পিউটাৰ মানৱ সভ্যতাৰ এক অপৰিহার্য আহিলাত পৰিণত হৈছে। ইণ্টাৰনেটৰ আগমনে বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ লগতে সাহিত্য, সংস্কৃতি, শিক্ষা, পর্যটন, চিকিৎসা আৰু যোগাযোগৰ যিকোনো তথ্য হাতৰ মুঠিত পোৱা সুবিধা দি পৃথিৱীখন নিচেই এখন সৰু গাঁৱলৈ পর্যবসিত কৰিছে। সাত সাগৰ তেৰনদীৰ সিপাৰে কোনো চিঠি-পত্র, তথ্য, ছবি, ফটো, দৃশ্য-শ্রাব্য ফাইল আদি নিমিষতে পঠাব পাৰি। সমাগত কম্পিউটাৰ সর্বস্ব সময়তে বহুতে কম্পিউটাৰৰ জ্ঞান বৃদ্ধিৰে জীৱিকা আৰু তথ্য আৰু প্রযুক্তিবিদ্যাৰ ক্ষেত্রখনত নিজৰ কর্মসংস্থাপনৰ ব্যৱস্থা সম্ভৱ কৰি তুলিছে।
- কম্পিউটাৰ এনে এটা ইলেক্ট্রনিক যন্ত্র যিয়ে তথ্য জমা (Store) আৰু প্রক্রিয়াৰে (Process) এটা নিখুঁত বা অর্থপূর্ণ ফল (Result) দিয়ে। ই অতিবেগী, বিশ্বাসযোগ্য, সম্পূর্ণ শুদ্ধ আৰু স্বয়ংক্রিয় ব্রিটিছ গণিতজ্ঞ চালর্ছ বেবেজক (1792-1872) আধুনিক কম্পিউটাৰৰ জনক বুলি কোৱা হয়। ডিফাৰেন্স ইঞ্জিন আৰু এনালাইটিকেল ইঞ্জিন পৰিকল্পনাৰে চার্লছ বেবেজে কম্পিউটাৰ বিজ্ঞানৰ ইতিহাসত নিজৰ নাম খোদিত কৰি ৰাখিছে। তেওঁৰ পৰিকল্পিত সম্পূর্ণ স্বয়ংক্রিয় যন্ত্রটো পাঁচটা প্রধান ভাগত বিভক্ত আছিল। সেইবোৰ— ক) ষ্টোৰ (Store), খ) মিল (Mill), গ) কণ্ট্র'ল (Control), ঘ) ইনপুট (Input) আৰু ঙ) আউটপুট (Output)।
- আধুনিক কম্পিউটাৰত ব্যৱহৃত IPOৰ সম্পূর্ণ ৰূপটো হ'ল Input-Process-Output। মেম'ৰি ইউনিট, এৰিথমেটিক এণ্ড লজিকেল ইউনিট আৰু কণ্ট্র'ল ইউনিটক একেলগে 'চেণ্ট্রেল প্রছেচিং ইউনিট' (CPU) বোলে।
- তাহানিৰ আৰু বর্তমান কম্পিউটাৰতকৈ অধিক শক্তিশালী আৰু উন্নত কম্পিউটাৰৰ বাবে প্রচেষ্টা অব্যাহত ৰখা কালছোৱাক কম্পিউটাৰ প্রজন্ম Computer Generation বুলি জনা যায়। কম্পিউটাৰৰ বিভিন্ন গুণাগুণ আৰু বৈশিষ্ট্যৰ ওপৰত

ভিত্তি কৰি ভাগ কৰা কম্পিউটাৰৰ প্ৰজন্ম কেইটা ক্ৰমে প্ৰথম প্ৰজন্ম (1946-1959), দ্বিতীয় প্ৰজন্ম (1959-1965), তৃতীয় প্ৰজন্ম (1965-1970), চতুৰ্থ প্ৰজন্ম (1970-1985) আৰু পঞ্চম প্ৰজন্ম (1985ৰ পৰা বৰ্তমানলৈ)। কম্পিউটাৰ মূলতঃ এনালগ (Analog), ডিজিটেল (Digital) আৰু হাইব্ৰিড (Hybrid) কম্পিউটাৰ এই তিনি ৰূপত পোৱা যায়। মন কৰিবলগীয়া যে কম্পিউটাৰে মানুহৰ দৰে নিজাববীয়াকৈ কোনো সিদ্ধান্ত ল'ব নোৱাৰে। ই এটা বাধ্য আৰু নিৰ্বোধ যন্ত্ৰ। ইয়াৰ কোনো নিজস্ব বুদ্ধিমত্তা নাই।

- ১৯৯১ চনত ভাৰততে প্ৰথম মোবাইল ফোনৰ ছিম কাৰ্ড চলতি কৰা হয়। শ্ৰবিৰ ভাটিয়া হৈছে ইণ্টাৰনেট মেইল ছাৰ্ভিচ হট্-মেইলৰ সৃষ্টিকাৰী। বৰ্তমান ইণ্টাৰনেট যুক্ত মোবাইলৰ যোগেদি বহুতো অসাধ্য সাধন সম্ভৱ হৈ উঠিছে। মোবাইল জাৰ্ণেলিজম্ৰ যোগেদি বিশ্বৰ বিভিন্ন প্ৰান্তৰ খবৰ সংগ্ৰহ কৰি উপগ্ৰহৰ মাধ্যমেদি (Satellite Chanell) সম্প্ৰচাৰ কৰাটো সুবিধা হৈছে। বৰ্তমান বহিৰ্বিশ্বৰ সৈতে সংযোগ স্থাপন অতি সহজ হৈ পৰিছে। ইণ্টাৰনেট মেইল ছাৰ্ভিচৰ যোগেদি মানুহে দ্ৰুত ৰূপত সংযোগ স্থাপন কৰিব পৰা হোৱাত সমগ্ৰ বিশ্বখন হাতত মুঠিত সন্নিৰিষ্ট হৈ পৰিছে।
- 'You Tube' নামৰ ভিডিঅ' ছেয়াৰিং ছাৰ্ভিচটো (Google) গোগোলে উদ্ভাৱন কৰিছিল। ফেচবুক্, ৰাটচ্ আপ্ প্ৰভৃতিৰ মাধ্যমত চেয়াৰিং ছাৰ্ভিচ উপলব্ধ হোৱাত জনসংযোগ অতি দ্ৰুততৰ হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তত ঘটি থকা ঘটনা প্ৰবাহৰ কথা মানুহে অতি সোনকালে লাভ কৰাটো সম্ভৱ হৈ উঠিছে।
- বৰ্তমান বহুলভাৱে ব্যৱহৃত কম্পিউটাৰ হ'ল হাইব্ৰিড কম্পিউটাৰ। এইবোৰ হ'ল ব্যক্তিগত কম্পিউটাৰ, লেপ্টপ্ বা আইপেড্।
- আধুনিক পৃথিৱীৰ যোগাযোগৰ আটাইতকৈ সহজ মাধ্যম হিচাপে ব্যৱহৃত হৈ আহিছে এছ. এম. এছ.। ১৯৯২ চনৰ ৩ ডিচেম্বৰত ব্ৰিটেইনৰ নীল পেপৰৰ্ণ নামৰ কম্পিউটাৰ অভিযন্তাজনে প্ৰথমটো এছ. এম. এছ. 'মেৰী খ্ৰীষ্টমাছ' প্ৰেৰণ কৰিছিল। আনহাতে, facebook, whats up, youtube প্ৰভৃতিক 'ছছিয়েল ছাইট' বুলি কোৱা হয়। এইবোৰ ইণ্টাৰনেটযুক্ত মোবাইলত উপলব্ধ।

১৪.৪.৪ অন্যান্য ন-ধাৰাসমূহ

বৰ্তমান ইণ্টাৰনেটৰ যোগেদি বিভিন্ন ধৰণৰ খেল উপভোগ কৰাৰ লগতে বিভিন্ন ধৰণৰ খেল খেলাৰো সুবিধা হৈছে। কিশোৰ আৰু যুৱচাম এই দিশটোৰ প্ৰতি অধিক আকৰ্ষিত হোৱা দেখা যায়। মোবাইল অথবা ইণ্টাৰনেটৰ মাধ্যমত বিভিন্ন ধৰণৰ খেল উপভোগ কৰিব পাৰি। এই খেলবোৰৰ আত্মনিমগ্ন হৈ বহুতো সময় পাৰ কৰিব পাৰি।

ইণ্টাৰনেট, মোবাইলৰ যোগেদি নিজৰ ৰুচিৰ অনুকুলে খেল নির্বাচন কৰি উপভোগ কৰিব পাৰি। ফুটবল, ক্রিকেটৰ পৰা আৰম্ভ কৰি কাৰ ৰেচিঙলৈকে, পাহাৰ বগোৱাৰ পৰা চিকাৰ কাহিনীলৈকে, ফেণ্টমৰ পৰা ডিজনীলৈগুলৈকে বিবিধ কার্যসূচী মোবাইল গেমৰ যোগেদি উপলব্ধ কৰিব পাৰি।

ইণ্টাৰনেট হ'ল বিশ্বৰ প্রথম কম্পিউটাৰ নেটৱর্ক ব্যৱস্থা, যাৰ সহায়ত পৃথিৱীৰ জ্ঞান-ভাণ্ডাৰ ঠাইতে পাব পাৰি। বর্তমান মোবাইল আৰু ইণ্টাৰনেটৰ যোগেদি উপলব্ধ গেমসমূহৰ প্রতি কিশোৰ আৰু যুৱক-যুৱতীসমূহ অধিক আকর্ষিত হোৱা দেখা গৈছে। তেনেদৰে উপলব্ধ হোৱা গেমসমূহৰ ভিতৰত তলত দিয়া গেমসমূহ বিশেষভাৱে উল্লেখযোগ্য—

ৰাৰ গেম, একচন গেম, ৰেচিং গেম, নেটৰ যোগেদি উপলব্ধ হোৱা গেমসমূহ 'need for speed', 'car racing', 'mission game', 'cold war', 'mini malasia', 'class of clans', 'evil war', প্রভৃতি মিচন গেমৰ অন্তর্গত। 'ninza fighting warrior', 'shadow fight', 'moral combat', 'space racing', 'gunship strick' আদি পোৱা যায়। Recing gameৰ ভিতৰত City racing 3d 'bike racing', 'car racing', etc.

নতুন প্রজন্মৰ যুৱক-যুৱতীসকলে প্রায়েই এনে ধৰণৰ গেমত মগ্ন হৈ তেনেদৰে বহুতো কথা শিকিছে, তেনেদৰে পৰম্পৰাগত খেলসমূহৰ প্রতি অনাগ্রহী হৈ পৰিছে। ফলত মগজুৰ কর্ষণ বৃদ্ধি হৈছে যদিও দৃষ্টি-শ্রৱণ প্রভৃতি ইন্দ্রিয় ক্ষতিগ্রস্ত হৈছে। তাৰ লগে লগে ভাৰত তথা অসমৰ পৰম্পৰাগত ঐতিহ্য আৰু সংস্কৃতিৰ পৰিবর্তে এক বিজতৰীয়া-সংস্কৃতিয়ে তেওঁলোকৰ ওপৰত সর্বগ্রাসী ভূমিকা গ্রহণ কৰিছে। অধ্যয়ন অভ্যাস হ্রাস কৰাটো ই ইন্ধন যোগাইছে।



জানি থোৱা ভাল

পেন ড্রাইভ ঃ আমি পেন ড্রাইভ বুলি নামকৰণ কৰা সঁজুলিবিধ এই নামেৰেই বিখ্যাত হ'লেও দৰাচলতে ইয়াৰ নাম ইউ. এছ. বি. ফ্রাছ ড্রাইভ। ১৯৯৯ চনৰ এপ্রিলত ইউ. এছ. বি. ফ'কাছ পার্ট আৱিষ্কাৰ কৰিছিল আমিৰ বাণ, ডভ মৰাণ আৰু অগডন নামৰ তিনিজন ইজৰাইলী প্রযুক্তিবিদে।

পেন ড্রাইভৰ যোগেদি কম্পিউটাৰৰ তথ্য জমা ৰাখিব পাৰি। ইয়াৰ যোগেদি কোনো এটা কম্পিউটাৰৰ তথ্য আন এটালৈ ট্রেন্সফাৰ কৰিব পাৰি। ই ফ্লপ'পিতকৈ উন্নতমানৰ আৰু তথ্য জমা ৰখাৰ সামর্থ্যও অধিক।

BASIC-ৰ সম্পূর্ণ অর্থ হ'ল Beginners' all Purpose Symbolic Instruction Code

MMX-ৰ সম্পূৰ্ণ অৰ্থ হ'ল Multi Media Extension

Mass Media: TV, Radio, Film আদিক মাছ মিডিয়া বোলা হয়।

MMS– Multi Media Service

SMS– Short Massage Service



১৪.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- আমি শিকিলোঁ যে বিশ্বায়নে সমগ্ৰ বিশ্বক এখনি সৰু গাঁৱলৈ পৰিৱৰ্তন কৰিছে।
- বৰ্তমান ইণ্টাৰনেট মাধ্যম মানুহৰ জ্ঞানৰ তৃষ্ণা সহজেই পূৰণ কৰিবলৈ সক্ষম হৈছে।
- ইণ্টাৰনেটো সংযোগ মাধ্যমত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে।
- সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত প্ৰচাৰ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।
- বিশ্বায়নে সংস্কৃতিক ব্যৱসায়িক পণ্যত পৰিণত কৰি ইয়াক জনপ্ৰিয় কৰি তুলিছে।
- বিশ্বায়নে মানুহক কৌশল বা দক্ষতা বিকাশৰ বাবে প্ৰৰোচিত কৰে আৰু তাৰ যোগেদি সহজে জ্ঞান আহৰণ সম্ভৱ।
- বৰ্তমান চাইবাৰ সংস্কৃতিয়ে আমাৰ সমাজখনক গ্ৰাস কৰিছে।
- প্ৰতিযোগিতামূলক বজাৰখনত তিষ্ঠি থাকিবৰ কাৰণে বৰ্তমান সংস্কৃতিৰ প্ৰতিটো উপাদানক যুগৰ উপযোগীকৈ সজাই তোলাটো প্ৰয়োজন হৈ পৰিছে।



১৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) চট্টোপাধ্যায়, পাৰ্থ (২০০৪); *বিষয় সাংবাদিকতা*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

২) নাথ, প্ৰফুল্ল আৰু হাজৰিকা, জ্যোতিৰেখা (২০১৪); *গণমাধ্যম, সমাজ আৰু সংস্কৃতি*; গুৱাহাটী ঃ বনলতা।

৩) ভাগৱতী, ৰাধিকামোহন; *সংবাদ-পত্ৰ আৰু সাংবাদিকতা*।

৪) শইকীয়া, নগেন (২০১০); *বিষয় ঃ সাংবাদিকতা*; ডিব্ৰুগড় ঃ কৌস্তুভ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Nath, Shyam (2002); *Freedom of Press in the Russian Federation*; New Delhi: Authors Press.

2) Prof. K. Chandrakandan and others (2002); *Mass Media and Inte-personal Communication for Social Awakening*; New Delhi: Authors Press.

3) Sarma, Jitendra Kumar (2009); *Print Media and Electronic Media : Implication for the Future*; New Delhi: Authors Press.

4) Sarma, Jitendra Kumar (2002); *Ethics of Journalism in Transition*; New Delhi: Authors Press.



১৪.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ গণমাধ্যমৰ অন্তর্গত মাধ্যমসমূহ কি কি তাৰ উল্লেখ... ...প্রত্যেকটো মাধ্যমৰ ভূমিকা... ...মাধ্যমসমূহত প্রয়োগ কৰা অসমীয়া ভাষাটোৱে অসমীয়া ভাষাৰ বিশুদ্ধ ৰূপ ৰক্ষা কৰিছেনে নাই তাৰ যুক্তিপূর্ণ আলোচনা।

২নং প্রশ্নৰ উত্তৰ ঃ এই উত্তৰটো প্রস্তুত কৰোঁতে সম্পূর্ণ বাস্তৱ উদাহৰণ দি যুক্তিপূর্ণ ভাবধাৰাৰে উত্তৰ লিখিব। উদাহৰণসমূহ অসমীয়া লোক-পৰিৱেশ্য কৰাল পৰা সংগ্রহ কৰিব।

১৪.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বিশ্বায়ন বুলিলে কি বুজে?

প্রশ্ন ২ ঃ বিশ্বায়নে অসমীয়া সংস্কৃতিত কেনেধৰণৰ প্রভাৱ বিস্তাৰ কৰিছে?

প্রশ্ন ৩ ঃ গণমাধ্যম বুলিলে কি বুজা? দৃষ্টি-শ্রাব্য মাধ্যমসমূহৰ চমু পৰিচয় দিয়ক।

প্রশ্ন ৪ ঃ জনপ্রিয় সংস্কৃতি বুলিলে কি বুজা?

প্রশ্ন ৫ ঃ চাইবাৰ সংস্কৃতি কি? ইয়াক সংস্কৃতিৰ শাৰীত ধৰিব পাৰিনে?

প্রশ্ন ৬ ঃ ইণ্টাৰনেট কি? যোগাযোগ মাধ্যমত ইয়াৰ ভূমিকা কেনেধৰণৰ?

প্রশ্ন ৭ ঃ ছ'চিয়েল ছাইট বুলিলে কি বুজে? জনসংযোগত ইয়াৰ ভূমিকা কেনেধৰণৰ?

প্রশ্ন ৮ ঃ ফেচবুক্, ৰাটচ্ আপ কি?

প্রশ্ন ৯ ঃ ৱিকিপেডিয়া কি?

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) অসম সাহিত্য সভা (১৯৬২); *অসমৰ জনজাতি*; যোৰহাট।

২) অসম সাহিত্য সভা (১৯৮৭); *অসমীয়া জাতিৰ ইতিবৃত্ত*; বজালী দৰ্পণ (স্মৃতিগ্রন্থ), পাঠশালাঃ অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশন।

৩) কাগ্‌য়ুং, ভৃগুমুনি (সম্পাঃ) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য*; গুৱাহাটী।

৪) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি*; ডিব্রুগড় ঃ বনলতা।

৫) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জন সাহিত্য*; গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৬) গুৱাহাটী বিশ্ববিদ্যালয় (২০০০); *অসমৰ সংস্কৃতি সমীক্ষা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭) দত্ত, বীৱেন্দ্র নাথ (১৯৭৭); *অসমীয়া সংগীতৰ উক্তি*; যোৰহাট ঃ অসম সাহিত্য সভা।

৮) দাস, বীৱেন (১৯৯৪); *মোৱামৰীয়া লোকসংস্কৃতি আৰু লোকগীত*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৯) দুৱৰা, ধর্মেশ্বৰ (১৯৯০); *অসমৰ বাদ্যযন্ত্র*; যোৰহাট ঃ অসম সাহিত্য সভা।

১০) দেৱগোস্বামী, কেশৱানন্দ (২০০০); *সত্র সংস্কৃতিৰ ৰূপৰেখা*; ডিব্রুগড় ঃ বনলতা।

১১) নার্জী, ভৱেন (১৯৬৬); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটী।

১৩) নেওগ, মহেশ্বৰ (১৯৬৪); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৪) নেওগ, মহেশ্বৰ (সম্পাঃ) (১৯৬৯); *পবিত্র অসম*; যোৰহাট ঃ অসম সাহিত্য সভা।

১৫) নেওগ, মহেশ্বৰ (১৯৯৫); *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

১৬) নেওগ, মহেশ্বৰ (সম্পাঃ) (২০০৬); *বাণীকান্ত ৰচনাৱলী*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১৭) নেওগ, মহেশ্বৰ (১৯৮৭); *শ্রীশ্রীশঙ্কৰদেৱ*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৮) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পাঃ) (১৯৮৯); *অসমীয়া সংস্কৃতি*; ডিব্রুগড় ঃ বনলতা।

১৯) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোক সংস্কৃতি*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

২০) বৰদলৈ, নির্মলপ্রভা (১৯৯৫); *দেৱী*; গুৱাহাটী ঃ সাহিত্য প্রকাশ।

২১) বৰদলৈ, নির্মলপ্রভা (১৯৯৭); *শিৱ*; গুৱাহাটী ঃ সাহিত্য প্রকাশ।

২২) বর্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (দ্বিতীয় খণ্ড); আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা, অসম।

২৩) বর্মন, শিৱনাথ (১৯৮২); *লোক কৃষ্টিৰ উৎস*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২৪) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসম লোক সংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

২৫) বাৎসায়ন, কপিলা (অনুবাদঃ বীৱেন্দ্রনাথ দত্ত) (১৯৮৮); *পৰম্পৰাগত ভাৰতীয় নাট্য*; নতুন দিল্লী।

২৬) ভট্টাচার্য, দেবেন্দ্রনাথ (১৯৭৭); *অসমত শক্তি পূজা*; গুৱাহাটী ঃ বাণী প্রকাশ।

২৭) মজুমদাৰ, বিমল (২০০১); *পুৰাণৰ পৰিচয়*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২৮) মহন্ত, প্রদীপ জ্যোতি (২০০৭); *শংকৰদেৱৰ শিল্প লোক*; গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

২৯) ৰাজবংশী, পৰমানন্দ (সম্পাঃ) (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি*; প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী।

৩০) ৰাভা হাকাচাম, উপেন (২০০৫); *অসমৰ জনজাতি সংস্কৃতি*।

৩১) শর্মা, গিৰিধৰ (সম্পাঃ) (১৯৭৪); *অসমীয়া জাতিৰ ইতিবৃত্ত*; অসম সাহিত্য সভা।

৩২) শর্মা, নবীন চন্দ্র (২০০৯); *অসমৰ সাংস্কৃতিক ইতিহাস* (২য় খণ্ড); অসম সাহিত্য সভা, যোৰহাট।

৩৩) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোক সংস্কৃতিৰ আভাস*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩৪) শর্মা, নবীন চন্দ্র (সম্পাঃ) (১৯৮৭); *ডাক প্ৰৱচন*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।
৩৫) শর্মা, নবীন চন্দ্র (১৯৯৬); *লোক সংস্কৃতি*; গুৱাহাটী ঃ চন্দ্র প্ৰকাশ।
৩৬) শর্মা, নবীন চন্দ্র (১৯৮৬); *শিৱ পুৱাণ*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।
৩৭) শর্মা, সত্যেন্দ্রনাথ (১৯৫৫); *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী।
৩৮) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; ৱিহাবাৰী, গুৱাহাটীঃ সৌমাৰ প্ৰকাশ।
৩৯) শর্মা, সত্যেন্দ্রনাথ (১৯৮৮); *পুৱণি সাহিত্য অধ্যয়ন*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।
৪০) হাজৰিকা, পৰীক্ষিত (১৯৯৫); *শ্ৰীশ্ৰীচণ্ডী*; গুৱাহাটী ঃ ডালিমী প্ৰকাশন।
৪১) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (প্ৰথম খণ্ড); আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা, অসম।

ইংৰাজী গ্ৰন্থ ঃ

1) Baruah, Birinchi Kr. (1969); *A Cultural History of Assam*; Panbazar, Guwahati : Lawyer's Book Stall.
2) Boro, Anil (2001); *Folk Literature of the Boros - An Introduction*; Guwahati: Adhunik Prakasan.
3) Choudhury, P.C. (1966); *History and Civilization of the People of Assam*; Guwahati.
4) Dorson, Richard M. (ed.) (1972); *Folklore and Folklife : An Introduction*; Chicago : The University of Chicago Press.
5) Dundes, Alan (1978); *Essays in Folkloristics*; Folklore Institute.
6) Dutta, Birendra Nath. (ed.) (1999); *Traditional Performing Arts of North-East*; Guwahati : ABILAS.
7) Dutta, Birendra Nath. (ed.) (1994); *A Hand Book of Folklore Material of North-East India*; ABILAS, Guwahati.
8) Frazer, J. (1993); *The Golden Bough*; Hertfordshir; Words Worth Editions Limited.
9) Gait E. (1963); *A History of Assam*; Thacker, Spink.
10) Herskovits M.J. (1969); *Cultural Anthropology*; Knopf.
11) Kakati, Bani Kanta (1972); *Assamese : Its formation & Development*. Lawyers Book Stall, Guwahati.
12) Kakati Bani Kanta (1967); *Mother Goddess Kamakhya*; Panbazar, Guwahati Lawyers Book Stall.
13) Leach. M (1972); *Standard Dictionary of Folklore*; Funk & Wagnalls.
14) Mahanta, Pradip Jyoti (2007); *The Sankardeva Movement*;*Its Cultural Horizons*; Guwahati : Purbanchal Prakash.
15) Neog, Maheswar (1984); *Religious of North East*; Munshiram Manoharlal Publication Pvt. Ltd.
16) Sarma N.C. (1988); *Essays in the Folklore of North-Eastern India*; Guwahati : Bani Prakasan.
17) Sarma, S.N. (1989); *A Socio-Economic and Cultural History of Medieval Assam*, Guwahati.
18) Tylor E.B. (1920); *Primitive Cultural*; Vol.1. W. London : John Murray, Albemarie Street.